**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মধ্যপ্ৰদেশৰ শ্বেওপুৰ জিলাৰ কুনো ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰি চিতামিত্ৰ আৰু ছাহৰীয়া জনগোষ্ঠীৰ লোকসকলৰ সৈতে মত বিনিময় কৰে।

২। কৌশলগত সীমা সুৰক্ষা আৰু বৈদেশিক নীতি বিষয়ক পৰ্যালোচনাৰ বাবে বৈদেশিক পৰিক্ৰমা সম্পৰ্কীয় সংসদীয় স্থায়ী সমিতি জম্মু-কাশ্মীৰ আৰু লাডাখ ভ্ৰমণলৈ ৰাওনা হৈছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰে দুদিনীয়া ভ্ৰমণসূচীৰে আজি মংগোলীয়া আৰু দক্ষিণ কোৰিয়ালৈ ৰাওনা হৈছে।

৪। অসমৰ শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ’ব।

আৰু

৫। ফিফা বিশ্বকাপৰ আজি পুৱা অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ৩-১ গ’লত ইজিপ্তৰ জয়লাভ।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি মধ্যপ্ৰদেশৰ শ্বেওপুৰ জিলাৰ কুনো ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰি চিতামিত্ৰ আৰু চহৰীয়া জনগোষ্ঠীৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ চিতা প্ৰকল্পৰ বাবে এই লোকসকলে আগবঢ়োৱা বৰঙণিৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ কাৰ্যক প্ৰশংসা কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয়, যে স্থানীয় লোকসকলৰ সক্ৰিয় অংশগ্ৰহণে বন সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ পূৰ্বে তেওঁ পুৱা ৮ বজালৈ উদ্যানখনত ছাফাৰী কৰি চিতাবাঘৰ পুনৰ প্ৰৱৰ্তন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই ভ্ৰমণৰ সময়তে তেওঁ চিতা প্ৰকল্প সন্দৰ্ভত এখন প্ৰদৰ্শনীও দৰ্শন কৰে।

বন বিভাগৰ বিষয়াসকলে জনাই যে ভাৰতত বৰ্তমান ৫২টা চিতাবাঘ আছে আৰু ইয়াৰে ৪৯টা কুনো ৰাষ্ট্ৰীয় উদ্যানত থকাৰ বিপৰীতে তিনিটা বাঘক গান্ধীসাগৰ বন্যপ্ৰাণী অভয়াৰণ্যলৈ স্থানান্তৰ কৰা হৈছে। জীৱ-জন্তুৰ বাবে থকা নিৰীক্ষণ আৰু অনুসৰণ ব্যৱস্থাৰ বিষয়েও কালি ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰোৱা হয়। বিষয়াসকলে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক জনাই যে চিতাবাঘবোৰৰ বাবে বনাঞ্চলৰ ভিতৰত প্ৰতি ২ কিলোমিটাৰৰ মূৰে মূৰে পানীযোগান ব্যৱস্থা গঢ়ি তোলা হৈছে। বটছ্বানা আৰু নামিবিয়াৰ পৰা চিতাৰ কাৰ্যকলাপ আৰু অভিযোজন প্ৰক্ৰিয়াৰ বিষয়েও ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰোৱা হয়।

এই কাৰ্যসূচীৰ পাছত ৰাষ্ট্ৰপতিগৰাকীয়ে শ্বেওপুৰৰ পৰা গোৱালিয়ৰলৈ ৰাওনা হ’ব আৰু পাছত ভাৰতীয় বায়ুসেনাৰ বিশেষ বিমানেৰে দিল্লীলৈ উভতি যাব।

০০০০০০০০০

সংসদৰ সদস্য শশী ঠাৰুৰৰ অধ্যক্ষতাত বৈদেশিক পৰিক্ৰমা সম্পৰ্কীয় সংসদীয় স্থায়ী সমিতিয়ে কৌশলগত সীমা সুৰক্ষা আৰু বৈদেশিক নীতি বিষয়ক পৰ্যালোচনাৰ বাবে জম্মু-কাশ্মীৰ আৰু লাডাখলৈ চাৰিদিনীয়া অধ্যয়ন ভ্ৰমণ আৰম্ভ কৰিছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে এই সমিতিখনৰ সদস্যসকলে জম্মু, শ্ৰীনগৰ, কাৰ্গিল আৰু লেহ অহা ২৫ জুনলৈ ভ্ৰমণ কৰাৰ লগতে সীমান্ত ব্যৱস্থাপনা আৰু নিৰাপত্তা ব্যৱস্থা সন্দৰ্ভত চাক্ষুস অভিজ্ঞতাৰ সাক্ষী হ'ব।

সমিতিখনে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ শেহতীয়া অগ্ৰগতি, সিন্ধু চুক্তি আৰু সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদ তথা আন্তঃৰাষ্ট্ৰীয় সীমান্তত পৰীক্ষা কৰিব। দলটোৱে ভাৰত-চীনৰ সম্পৰ্ক আৰু লাডাখৰ পূব সীমান্তৰ অৱস্থা পৰিদৰ্শন কৰিব।

কমিটীৰ সদস্যসকলে এই পৰিদৰ্শনকালত জ্যেষ্ঠ নাগৰিক আৰু সামৰিক বিষয়াসকলৰ উপৰি স্থানীয় বাসিন্দাসকলৰ সৈতে বাৰ্তালাপ কৰি সিদ্ধান্ত গ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে নতুন দিল্লীত চীন-ভাৰত সম্পৰ্ক আৰু পাকিস্তান সন্দৰ্ভত ভাৰতৰ স্থিতিৰ বিষয়ে সমিতিক অৱগত কৰে।

000000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে দুদিনীয়া ভ্ৰমণসূচীৰে আজি মংগোলীয়া আৰু দক্ষিণ কোৰিয়াৰ দিশে ৰাওনা হৈছে। ড০ জয়শংকৰে আজি মংগোলীয়াত উপস্থিত হৈ সামাজিক মাধ্যমৰ এটা প'ষ্টৰ জৰিয়তে সেই দেশৰ সৈতে বিভিন্ন দিশত ভাৰত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ দিশত জোৰ দিয়া হ'ব বুলি জানিবলৈ দিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে মন্ত্ৰীগৰাকীয়ে মংগোলীয়া ভ্ৰমণৰ এই সময়ছোৱাত সেই দেশৰ নেতৃস্থানীয় লোকসকলক লগ ধৰি সেই ধৰি সেই দেশৰ বৈদেশিক মন্ত্ৰী বি বাট্‌ছেটছেগৰ সৈতে আলোচনাত মিলিত হ'ব। উল্লেখযোগ্য যে ড০ জয়শংকৰে অহা ২৪ আৰু ২৫ তাৰিখে দক্ষিণ কোৰিয়া ভ্ৰমণ কৰিব আৰু অহা বৃহস্পতিবাৰে সেই দেশৰ জেজু আলোচনা গোটত  ভাষণ প্ৰদান কৰিব।

00000000

অসমৰ শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে  প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

000000

কেন্দ্ৰীয় আইন আৰু ন্যায় বিভাগৰ মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি কয়, যে আইন প্ৰতিষ্ঠানসমূহে প্ৰতিটো অনুষ্ঠান যি সমাজৰ বিভিন্ন কৰ্মৰাজীৰ বাবে অংশীদাৰ হিচাপে কাম কৰি আহিছে সেইসমূহত বিশ্বাস অন্তৰ্ভুক্তিৰ মাজেৰে বৃহৎ পৰিসৰৰ ন্যায়গত ব্যৱস্থাসমূহৰ সৈতে কাম কৰাৰ বাবে সেতু হিচাপে ভূমিকা পালন কৰি আহিছে। এটা লেখাৰ জৰিয়তে নিজৰ ভাব ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে ন্যায়ৰ দিশত এটা শক্তিশালী পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশৰ নাগৰিকসকলক বিশেষভাৱে প্ৰভাৱিত কৰা এই পৰিৱেশ তন্ত্ৰই উল্লেখযোগ্য ভূমিকা পালন কৰিব। তেওঁ লগতে কয়, যে টেলি-ল' আৰু ন্যায় বন্ধুৰ দৰে সেৱাৰ জৰিয়তে দেশৰ সকলো শ্ৰেণীৰ মুকৰ্দমাকাৰীসকলে সুবিধাজনকভাৱে দেশৰ ন্যায় ব্যৱস্থাৰ বিভিন্ন সুবিধাসমূহ অনায়াসে গ্ৰহণ কৰিব পাৰিব। বৰ্তমান অধিবক্তা আৰু বিচাৰকৰ কৰ্মত নিয়োজিত ব্যক্তিসকলে যাতে সুবিধাজনকভাৱে কৰ্ম সম্পাদন কৰিব পাৰে তাৰ বাবে ডিজিটেল ব্যৱস্থা সমূহৰ লগতে বৰ্তমানৰ আন্তঃগাঁথনিসমূহৰ উন্নতি কৰাৰো প্ৰয়োজনীয়তা আছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমেঘৱালে লগতে কয়, যে ভিডিঅ' কনফাৰেন্সিং, ভাৰ্চুৱেল ব্যৱস্থাৰ আদালতসমূহ আৰু ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াৰ লাইভ ষ্ট্ৰিমিঙৰ জৰিয়তে আইন ব্যৱস্থাক নাগৰিকসকলৰ কাষ চপাই আনিব পৰা যায়। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰে প্ৰস্তুত কৰি উলিওৱা ভাষিক এপ ছুপ্ৰিম কৰ্ট বিধিক অনুবাদ ছফ্‌টৱেৰ আৰু ভাষা অনুবাদ কৰা ভাষিণী ছফ্‌টৱেৰৰ জৰিয়তে এই কামখিনি সহজভাৱে কৰিব পৰা যাব বুলিও আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ চৰকাৰখনে ভৱিষ্যত প্ৰজন্মৰ বাবে সুবিধা হোৱাকৈ ভাৰতৰ ১৪০ কোটি নাগৰিকক সামৰি এটা শক্তিশালী আৰু সৃষ্টিমূলক ন্যায় ব্যৱস্থাৰ সৃষ্টি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে।

oooooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগান আজি দুদিনীয়া ভ্ৰমণসূচীৰে মধ্য প্ৰদেশত উপস্থিত হ'ব। মন্ত্ৰী ডঃ মুৰুগানে আজি সন্ধিয়া ভূপাল বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে ৰাজ্যিক অতিথিশালাত উপস্থিত হ'ব আৰু তাত তেওঁ ভূপাল জিলা আয়ুক্তৰ সৈতে বৈঠকত মিলিত হ'ব। কাইলৈ মন্ত্ৰী ডঃ মুৰুগানে দেৱাছ জিলাৰ কন্নড তেহচিলৰ ডকাকুই গাঁও ভ্ৰমণ কৰিব আৰু তাত তেওঁ সংসদ পুঁজিৰ আঁচনিৰ অধীনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। কাইলৈ সন্ধিয়া তেওঁ নতুন দিল্লীলৈ উভতি আহিব।

ooooooooo

ছুইজাৰলেণ্ডত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত হোৱা আলোচনাৰ পাছতে গোটেই বিশ্বতে খাৰুৱা তেলৰ মূল্য ৩ শতাংশ হ্ৰাস পাইছে। এই আলোচনাৰ পাছতে ইৰানৰ পৰা বিশ্বৰ আন ঠাইলৈ তেলৰ সৰবৰাহ বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন আহিব বুলি আশা কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয়ভাৱে খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ২ শতাংশতকৈও অধিক অৰ্থাৎ ৭৯ ডলাৰ মূল্যলৈ হ্ৰাস পাইছে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰেষ্ট টেক্সাছত এই মূল্য প্ৰতি বেৰেলত ৩ শতাংশ অৰ্থাৎ ৭৫ ডলাৰ হৈছে বুলি জানিব পৰা গৈছে।

oooooooo

পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ জালদাবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুৰ্ঘটনাত মৃতকৰ সংখ্যা ছয়লৈ বৃদ্ধি পাইছে। ইয়াৰে ভিতৰত দুগৰাকী মহিলা আৰু এটি শিশুও আছে। আহত ২৫ গৰাকী যাত্ৰীক জলপাইগুৰি চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে উত্তৰবংগ ৰাজ্যিক পৰিবহণ নিগমৰ

এখন যাত্ৰীবাহী বাছে ৩২ গৰাকী যাত্ৰীক কঢ়িয়াই নিয়াৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষী আৰু জিলা প্ৰশাসন তথা স্থানীয় বাসিন্দাই ততালিকে উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আহত যাত্ৰীসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

পৰিবহণ মন্ত্ৰী আনন্দময় বৰ্মনে দুৰ্ঘটনা, হাস্পতাল পৰিদৰ্শন কৰি আহত লোকসকলৰ স্বাস্থ্যৰ বুজ লয়। নিহতসকলৰ পৰিয়ালক সাহায্য প্ৰদান কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। পৰ্যটন মন্ত্ৰী ড° শংকৰ ঘোষেও আহতসকলৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰী আৰু দুগৰাকী অন্য মন্ত্ৰীয়ে এই দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ বাবে দুখ প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে।

০০০০০০০০০

ফিফা বিশ্বকাপত আজি পুৱা অনুষ্ঠিত এখন খেলত ৩-১ গ'লত নিউজিলেণ্ডৰ বিৰুদ্ধে ইজিপ্তে প্ৰথমবাৰৰ বাবে জয়লাভ কৰিছে । আজি নিশা চাৰে দহ বজাত আৰম্ভ হ 'বলগীয়া গ্ৰুপ জেৰ এখন খেলত আৰ্জেণ্টিনাই অষ্ট্ৰিয়াৰ বিৰুদ্ধে খেলিব।

ফ্ল'ৰিডাত কেপ ভাৰ্ডে আৰু উৰুগুৱেৰ মাজত পুৱতি নিশা অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ এখন মেচ ২-২ গ'লত ড্ৰ' হয়। কেপ ভাৰ্ডেৰ হৈ খেলখনৰ ২১ মিনিটত কেভিন পিনাৰে দেশখনৰ হৈ প্ৰথমটো বিশ্বকাপ গ 'ল দিয়ে। প্ৰত্যুত্তৰত উৰুগুৱেৰ হৈ মেক্সি আৰাউজো আৰু অগষ্টিন কানোবিঅ' এ দুটা গ'ল দি অগ্ৰগতি লাভ কৰে। অৱশ্যে কেপ ভাৰ্ডেৰ হৈ হেলডাৰ ভাৰেলাৰে দিয়া আন এটা গলৰ জৰিয়তে দুয়োটা দলে সমতা স্থাপন কৰে। এই ফলাফলৰ পাছত দুয়োটা দলে দুই পইণ্ট লাভ কৰি গ্ৰুপ এইচ পৰ্যায়ৰ মেচসমূহৰ অন্তিম ৰাউণ্ডলৈ যাবলৈ স মৰ্থ হয়। ইয়াৰ পূৰ্বে কালি নিশা কেলিফৰ্ণিয়াত ইৰাণ আৰু বেলজিয়ামৰ মাজত অনুষ্ঠিত গ্ৰুপ জিৰ এখন খেল গ'লবিহীনভাৱে ড্ৰ' হৈছিল। ইয়াৰ পূৰ্বে আটলাণ্টাত অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ আন এখন খেলত ছৌদি আৰৱে ৪-০ গ'লত স্পেইনক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছিল।

০০০০০০০

সমাপ্ত